**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-10-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একবিংশ শতিকা ভাৰত আৰু আচিয়ানৰ শতিকা বুলি অভিহিত কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ষট্‌ পূজাই সংস্কৃতি, প্ৰকৃতি আৰু সমাজৰ গভীৰ একাত্মবোধক প্ৰতিফলিত কৰে বুলি উল্লেখ কৰিছে।

৩। চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় বিজ্ঞান পুৰস্কাৰসমূহ ঘোষণা কৰা হৈছে।

৪। দেশৰ বিভিন্ন অংশত কালিৰে পৰা ৪ দিনীয়াকৈ ষট পুজা অনুষ্ঠিত হৈছে। *আৰু*

৫। ভাৰতে চীনৰ চেংডুঙত অনষ্ঠিত ১৭ আৰু ১৫ বছৰ অনুৰ্ধ এছিয়া বেডমিণ্টন প্ৰতিযোগিতাত দুটা সোণৰ পদক অৰ্জন কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একবিংশ শতিকা ভাৰত আৰু আচিয়ানৰ শতিকা বুলি অভিহিত কৰিছে। মালয়েছিয়াত অনুষ্ঠিত আছিয়ান ভাৰত শীৰ্ষ সন্মিলনত ভাৰ্চুৱেল ব্যৱস্থাৰে ভাষণ দি প্ৰধানমন্ত্ৰীয়ে আজি কয় যে ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰীগোষ্ঠীয়ে বিশ্বৰ প্ৰায় এক চতুৰ্থাংশ জনসংখ্যাক প্ৰতিনিধিত্ব কৰে। তেওঁ কয়, যে ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰসমূহ অকল ভৌগলিকভাৱেহে সংযুক্ত নহয় বৰং ঐতিহাসিক সম্পৰ্ক আৰু উমৈহতীয়া প্ৰমূল্যৰ ডোলেৰে বান্ধ খাই আছে। শ্ৰীমোদীয়ে কয় যে বৰ্তমানৰ অনিশ্চয়তাৰে ভৰা এই সময়তো ভাৰত আছিয়ান সৰ্বাত্মক কৌশলগত সহযোগিতা ক্ৰমাৎ শক্তিশালী হৈ উঠিছে। তেওঁ কয় যে এই শক্তিশালী সম্পৰ্ক গোলকীয় সুস্থিৰতা আৰু বিকাশৰ বাবে শক্তিশালী ভেটিৰূপে পৰিগণিত হৈছে। ভাৰতে প্ৰতিটো বিপৰ্যয়ৰ সময়ত আছিয়ান ৰাষ্ট্ৰসমূহৰ সৈতে দৃঢ়তাৰে থিয় দি আহিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে সামুদ্ৰিক বিপৰ্যয় ব্যৱস্থাপনা, সুৰক্ষা আৰু সামুদ্ৰিক অৰ্থব্যৱস্থাৰ ক্ষেত্ৰত সহযোগিতা দ্ৰুতভাৱে বৃদ্ধি পাইছে। তেওঁ লগতে ২০২৬ বৰ্ষক আছিয়ান ভাৰত সামুদ্ৰিক সহযোগিতা বৰ্ষ হিচাপে ঘোষণা কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ষট্‌ পূজাই সংস্কৃতি, প্ৰকৃতি আৰু সমাজৰ গভীৰ একাত্মবোধক প্ৰতিফলিত কৰে বুলি উল্লেখ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি তেওঁ দেশবাসীক বিশেষকৈ বিহাৰ, ঝাৰখণ্ড আৰু পূৰ্বাঞ্চলৰ লোকসকলক ষট্‌ পূজাৰ আন্তৰিক শুভেচ্ছা জনায়। শ্ৰীমোদীয়ে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰত ভাৰতে কৰা অপাৰেছন সিন্দূৰে প্ৰতিগৰাকী নাগৰিকক গৌৰৱান্বিত কৰিলে বুলি প্ৰকাশ কৰে। তেওঁ কয় যে এইবাৰৰ দীপাৱলীত এসময়ত মাওবাদী সন্ত্ৰাসৰ প্ৰভাৱ থকা অঞ্চলতো চাকিৰ পোহৰে উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি কৰিছে। উৎসৱৰ বতৰত থলুৱা সামগ্ৰীৰ আদৰ তথা বিক্ৰী বৃদ্ধি হোৱাৰ কথাত তেওঁ আনন্দ প্ৰকাশ কৰে। উৎসৱৰ বতৰত জি এছ্‌ টি সঞ্চয় উৎসৱক লৈ জনসাধাৰণৰ মাজত উৎসাহ পৰিলক্ষিত হোৱা কথাটোত শ্ৰীমোদীয়ে সন্তোষ প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ কফিৰ জনপ্ৰিয়তা বৰ্তমান বিশ্বজুৰি বৃদ্ধি পাইছে বুলি উল্লেখ কৰি উত্তৰ পূৰ্বাঞ্চলতো সম্প্ৰতি কফি খেতি জনপ্ৰিয় হোৱাৰ লগতে উত্তৰ-পূবৰ কফিয়ে বিশ্বত ভাৰতীয় কফিৰ পৰিচয় শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি উল্লেখ কৰে। দেশ-বিদেশৰ শ্ৰোতাসকলৰ সৈতে মত-বিনিময় কৰি আজিৰ মন কী বাতত প্ৰধানমন্ত্ৰীয়ে ওড়িশাৰ কোৰাপুট কফিৰ বিশেষ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে ভাৰতৰ বিভিন্ন ঠাইত হোৱা কফিৰ সোৱাদ বেলেগ বেলেগ।

পৰিষ্কাৰ পৰিচ্ছন্নতা সন্দৰ্ভত দেশৰ বিভিন্ন মহানগৰৰ কেইবাটাও প্ৰেৰণাদায়ক কাহিনীৰ অৱতাৰণাৰে শ্ৰীমোদীয়ে জনসাধাৰণে লক্ষ্য নিৰ্ধাৰণ কৰিলে পৰিৱৰ্তন আৱশ্যম্ভাৱী বুলি মন্তব্য কৰে। সাগৰৰ পাৰৰ জলাহ ভূমিৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে সাগৰৰ লুণীয়া পানী আৰু উৰ্বৰ ভূমিত সৃষ্টি হোৱা এই ভূমিসমূহ সাগৰীয় পৰিস্থিতিতন্ত্ৰৰ গুৰুত্বপূৰ্ণ অংশ।

প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় প্ৰজাতিৰ কুকুৰ পোহাৰ বিষয়ে উল্লেখ কৰি কয় যে এনে কুকুৰ স্থানীয় পৰিবেশ পৰিস্থিতিৰ সৈতে সহজে মিলি যাব পাৰে। সীমান্ত সুৰক্ষা বাহিনী, বি এছ্ এফ আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, চি আৰ পি এফে ভাৰতীয় প্ৰজাতিৰ প্ৰশিক্ষিত কুকুৰৰ সংখ্যা বৃদ্ধি কৰাত শ্ৰীমোদীয়ে সন্তোষ প্ৰকাশ কৰে।

অহা ৩১ অক্টোবৰত চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তীৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে এই উপলক্ষে প্ৰতি বছৰে গুজৰাটত থকা একতাৰ প্ৰতিমূৰ্তিৰ সন্মুখত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এইবাৰো বল্লভ ভাই পেটেলৰ জয়ন্তী উপলক্ষে সেই স্থানত পেৰেডৰ লগতে ভাৰতীয় কুকুৰৰ সামৰ্থ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। চৰ্দাৰ পেটেলৰ ১৫০ বছৰীয়া জন্মদিৱস সমগ্ৰ দেশৰ বাবে অতি বিশেষ উৎসৱ হিচাপে পৰিগণিত হৈছে। অহা ৩১ অক্টোবৰত দেশজুৰি হ'বলগীয়া একতাৰ দৌৰত অংশগ্ৰহণ কৰিবলৈ তেওঁ সকলোকে আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ বিষয়ে উল্লেখ কৰি কয় যে বংকিম চন্দ্ৰ চট্টোপধ্যায়ে গীতটোৰ জৰিয়তে সমগ্ৰ ভাৰতবাসীক ঐক্যবদ্ধ কৰিছিল। শ্ৰীমোদীয়ে কয় যে বন্দে মাতৰম ১৯ শতিকাত ৰচিত হৈছিল যদিও গীতটো হাজাৰ হাজাৰ বছৰ পুৰণি ভাৰতীয় চেতনাৰ সৈতে সংপৃক্ত হৈ আছে। দেশবাসীয়ে অহা ৭ নৱেম্বৰত বন্দে মাতৰমৰ ১৫০ বছৰীয়া উদ্‌যাপনত অংশগ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

সংস্কৃত ভাষাৰ বিশেষ প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এসময়ত এই ভাষা ভাৰতবৰ্ষৰ সংযোগী ভাষা হিচাপে স্বীকৃত আছিল। সেই সময়ত সকলো ধৰণৰ অধ্যয়ন, গৱেষণাৰ লগতে নাটকৰ প্ৰদৰ্শনো সংস্কৃত ভাষাতে হৈছিল বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। সম্প্ৰতি বিশ্বৰ সংস্কৃতি আৰু সামাজিক মাধ্যমে সংস্কৃতক নতুন জীৱন দিয়াত তেওঁ আনন্দ প্ৰকাশ কৰে।

০০০০০

চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় বিজ্ঞান পুৰস্কাৰসমূহ ঘোষণা কৰা হৈছে। প্ৰফেছৰ জয়ন্ত বিষ্ণু নাৰ্লিকাৰক মৰনোত্তৰভাৱে বিজ্ঞান ৰত্ন সন্মানেৰে বিভূষিত কৰা হৈছে। ৮ গৰাকী বিজ্ঞানীলৈ বিজ্ঞানশ্ৰী বঁটা আগবঢ়োৱা হৈছে। বিজ্ঞান যুৱ শিতানত অধীনত বিভিন্ন শাখাত ১৪ গৰাকী যুৱ বিজ্ঞানীক বাচনি কৰা হৈছে।

০০০০০

যোৱা ২২ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা জি এছ্ টি সঞ্চয় উৎসৱৰ পৰা সমগ্ৰ দেশৰ নাগৰিকসকল উপকৃত হৈছে। পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰে বিভিন্ন বাহনৰ ওপৰত আৰোপিত কৰ কৰ্তন আৰু ব্যৱহাৰকাৰীসকলৰ বাবে আহ-যাহৰ সুবিধা সূচল কৰি যান-বাহন খণ্ডক সকাহ প্ৰদান কৰিছে। নতুন কৰ পৰিকাথামোৰ অধীনত ৩৫০ চিচি পৰ্যন্ত ইঞ্জিন বিশিষ্ট দুচকীয়া বাহনৰ ওপৰত আৰোপিত কৰ ২৮ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে আৰু ইয়াৰ ফলত দুচকীয়া বাহনসমূহ অধিক বহনসাধ্য হৈ উঠিছে। দেশত ৰাজহুৱা পৰিবহন ব্যৱস্থা সুদৃঢ় কৰি তোলাৰ উদ্দেশ্যে চৰকাৰে ১০ গৰাকীতকৈ অধিক যাত্ৰী বহাৰ সুবিধা থকা বাছ আৰু মিনি বাছৰ ওপৰত আৰোপিত জি এছ্ টি পূৰ্বৰ ২৮ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাস কৰিছে। একেদৰে ১২০০ চিচিতকৈ কম ক্ষমতা বিশিষ্ট পেট্ৰল চালিত আৰু ১৫০০ চিচিতকৈ কম ক্ষমতা বিশিষ্ট ডিজেল চালিত মটৰগাড়ীৰ ওপৰত আৰোপিত কৰ ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে।

০০০০০

দেশৰ বিভিন্ন অংশত কালিৰে পৰা চাৰিদিনীয়াকৈ ষট মহাপৰ্ব অনুষ্ঠিত হৈছে। কালি "নহাই-খাই" অনুষ্ঠানেৰে এই উৎসৱৰ আৰম্ভণি হয় । আজি দ্বিতীয় দিনা খৰনা পূজা সম্পন্ন কৰা হ'ব। প্ৰকৃতিৰ পূজা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতীক সূৰ্য দেৱতাৰ নামত এই উৎসৱ উচৰ্গা কৰা হয়। ভক্তসকলে আজি সূৰ্যাস্তৰ পাছত খৰনা প্ৰসাদ গ্ৰহণ কৰি পানী নোহোৱাকৈ ৩৬ ঘণ্টীয়া উপবাস আৰম্ভ কৰিছে। কাইলৈ নদী বা জলভাগত অৱস্থিত ষট ঘাটত অস্তগামী সূৰ্যক অৰ্ঘ্য প্ৰদান কৰা হ'ব। পৰহিলৈ ভক্তসকলে উদিত সূৰ্যক অৰ্ঘ্য আগবঢ়াব আৰু চাৰিদিনীয়া ছঠ উৎসৱৰ সামৰণি পৰিব। ষট উৎসৱ উপলক্ষ্যে ৰাঁচীৰ সূৰ্য্য মন্দিৰ সজাই তোলা হৈছে। ইয়াৰ স্বৰ্ণৰেখা নদীৰ ঘাটত ভক্তসকলে সূৰ্য দেৱতাক পূজা কৰে। এই উৎসৱৰ প্ৰস্তুতিৰ বাবে

বজাৰসমূহত স্থানীয় সামগ্ৰীৰে ভৰি পৰিছে। ষট পূজাত ব্যৱহৃত ফল - মূল, মাটিৰ পাত্ৰ আৰু অন্যান্য সামগ্ৰী ক্ৰয় কৰিবলৈ গ্ৰাহকৰ হেতা - ওপৰা লাগিছে বুলিও আমাৰ সংবাদদাতাই জানিবলৈ দিছে ।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ষট পুজা উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি দিয়া এটা বাৰ্তাত কয় যে ষট পুজা ভক্তসকলে সূৰ্য্যৰ আৰাধনা কৰে আৰু অৰ্ঘ্য তৰ্পন কৰে। তেওঁ কয় যে এই উৎসৱত ভক্তসকলে নদী আৰু পুখুৰীত পূজা কৰি প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে আৰু নিজৰ পৰিয়ালৰ সমৃদ্ধি কামনা কৰে। এই উৎসৱে পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু পৰিবেশ সংৰক্ষণৰ বাৰ্তা বহন কৰে বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ লগতে সকলোৰে সুখ সমৃদ্ধি কামনা কৰে।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কাইলৈ মুম্বাইৰ মাজগাওঁ বন্দৰত গভীৰ সমুদ্ৰত মাছ ধৰা অত্যাধুনিক জাহাজ বিতৰণ কৰিব। সমবায় ভিত্তিত গভীৰ সমুদ্ৰত মাছধৰাৰ ক্ষেত্ৰখনৰ বাবে ই ঐতিহাসিক মাইলৰ খুটিৰূপে পৰিগণিত হ'ব। এই কাৰ্যই মীন পালন খণ্ডত আত্মনিৰ্ভৰশীলতা, নিৰন্তৰতা আৰু সমবায়সমূহক সৱলীকৰণৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে। মহাৰাষ্ট্ৰ চৰকাৰ, ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম আৰু কেন্দ্ৰীয় চৰকাৰৰ মীন পালন বিভাগৰ বিত্তীয় সাহায্যৰে প্ৰধানমন্ত্ৰী মৎস্য সম্পদা যোজনাৰ অধীনত এক কোটি ২০ লাখ টকা মূল্যৰ এই জাহাজসমূহ প্ৰদান কৰা হ'ব।

০০০০০

দক্ষিণ পূৰ বঙ্গোপসাগৰত সৃষ্টি হোৱা নিম্নছাপ কাইলৈৰ ভিতৰত ঘূৰ্ণি বতাহলৈ ৰূপান্তৰিত হ'ব পাৰে বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে সকিয়াই দিছে। ঘূৰ্ণি বতাহজাক উত্তৰ-পশ্চিম দিশে গতি কৰাৰ আৰু মঙলবাৰৰ ভিতৰত প্ৰৱল ঘূৰ্ণিবতাহলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা আছে। অন্ধ্ৰপ্ৰদেশ আৰু পুডুচেৰীয়ে **মন্থা** নামৰ এই ঘূৰ্ণি বতাহজাকৰ সম্ভাৱনালৈ চাই সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

ভাৰতে চীনৰ চেংডুওত অনষ্ঠিত ১৭ আৰু ১৫ বছৰ অনুৰ্ধ এছিয়া বেডমিণ্টন প্ৰতিযোগিতাত দুটা সোণৰ পদক অৰ্জন কৰিছে। ভাৰতত চাইনা মানিমুখুই আজি ছোৱালীৰ ১৫ বছৰ অনুৰ্ধৰ ছিংগলছৰ ফাইনেলত জাপানৰ ছিহাৰু ট'মিতাক ২১-১৪, ২২-২০ গেমত পৰাভূত কৰে। একেদৰে দীক্ষা সুধাকৰে ছোৱালীৰ ১৭ বছৰ অনুৰ্ধৰ ছিংগলছৰ ফাইনেলত ভাৰতৰে আন এগৰাকী খেলুৱৈ লক্ষ্য ৰাজেশক ২১-১৬, ২১-৯ গেমত পৰাভুত কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ